रजिस्ट्री स डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 7] NEW DELHI, MONDAY, DECEMBER 24, 2018 / 3 PAUSA, 1940 (Saka) [VOL : 9
নং ৭] নতুন দিল্লী, সোমবাৰ, ডিচেম্বৰ ২৪, ২০১৮ / ৩ পুহ, ১৯৪০ (শক) [খণ্ড ঃ ৯

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

মধ্য প্ৰান্ত বিধি অধিনিয়ম, ১৮৭৫ (১৮৭৫ ৰ ২০)

১৯৫০ত যথাবিদ্যমান

# মধ্য প্ৰান্ত বিধি অধিনিয়ম, ১৮৭৫

(১৮৭৫ৰ অধিনিয়ম সংখ্যা ২০)

## ধাৰাসমূহৰ ক্ৰম


| ধাৰাসমূহ | পৃষ্ঠা |
|---|---|
| ১। সংক্ষিপ্ত নাম | ১ |
| ২। অধিনিয়মিতি আৰু নিয়মাৱলীৰ নিৰসন | ১ |
| ৩। কেতবোৰ অধিনিয়মিতি বলবৎ হোৱা বুলি গণ্য হ'ব | ১ |
| ৪। বিদ্যমান অধিনিয়মৰ দৃঢ়কৰণ | ২ |
| ৫। কেতবোৰ শ্ৰেণীৰ গোচৰত বিনিশ্চয়ৰ নিয়ম | ২ |
| ৬। অভিব্যক্তৰূপে উপৰক্ষিত নকৰা গোচৰসমূহত নিয়ম | ২ |
| ৭। ক্ৰোকৰ পৰা ৰেহাই দিয়া সামগ্ৰী | ২ |
| ৮। সহায়ক নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা | ২ |
| ৯। নিয়মাৱলী ভঙ্গৰ বাবে দণ্ড | ৩ |
| ১০। নিয়মাৱলীৰ প্ৰকাশন, নিয়মাৱলীৰ বলবৎ | ৩ |
| ১১। চিভিল প্ৰক্ৰিয়া সংহিতাৰ ভাগত স্থানীয় নিৰসন | ৩ |
| ১২। সদৃশ সংহিতাত ধাৰাবোৰৰ প্ৰতিষ্ঠাপন | ৩ |
| অনুসূচী | ৪ |

# মধ্য প্ৰান্ত বিধি অধিনিয়ম, ১৮৭৫

## (১৮৭৫ৰ অধিনিয়ম সংখ্যা ২০)

[৯ ডিচেম্বৰ, ১৮৭৫]

**মধ্য প্ৰান্তবোৰত বলবৎ থকা বিধি ঘোষণা আৰু সংশোধন কৰিবলৈ এখন অধিনিয়ম**

যিহেতু মধ্য প্ৰান্তবোৰত বলবৎ থকা বিধিৰ কেতবোৰ ভাগৰ ঘোষণা আৰু সংশোধন কৰিবলৈ এইটো সমীচীন হয় ; ইয়াক ইয়াৰ দ্বাৰা নিম্নানুসাৰে অধিনিয়মিত কৰা হওঁক ঃ-

সংক্ষিপ্ত নাম। ১। এই অধিনিয়মখন, মধ্য প্ৰান্ত বিধি অধিনিয়ম, ১৮৭৫ বুলি অভিহিত হ'ব ;

স্থানীয় বিস্তাৰ। ই বৰ্ত্তমান মধ্য প্ৰান্তৰ [১][ৰাজ্য চৰকাৰ]ৰ প্ৰশাসনৰ অধীনত থকা ৰাজ্যক্ষেত্ৰসমূহলৈ বিস্তাৰিত ;

প্ৰাৰম্ভণ । আৰু ই তাত পাৰিত হোৱাত বলবৎ হ'ব ।

অধিনিয়মিতি আৰু নিয়মাৱলীৰ নিৰসন । ২। এই অধিনিয়ম বলবৎ হোৱা তাৰিখত আৰু তাৰিখৰ পৰা নিম্নলিখিতসমূহক নিৰসিত কৰা হ'ব, অৰ্থাৎ ঃ-

(ক) ইয়াত ইয়াৰ পাচত বলবৎ হব লগা বুলি ঘোষিত নিয়মাৱলী বা নিয়মাৱলীৰ ভাগৰ ব্যতিৰেকে সকলো বেঙ্গল বিনিয়মন ;

(খ) (ইয়াৰ লগত গাঁঠি দিয়া অনুসূচীত উল্লিখিত অধিনিয়মসমূহৰ ব্যতিৰেকে) সকলো [২][কেন্দ্ৰীয় অধিনিয়ম], যিবোৰে অভিব্যক্তভাৱে বা আৱশ্যকীয় প্ৰয়োগৰ দ্বাৰা উক্ত ৰাজ্যক্ষেত্ৰ বা তাৰ ভাগবোৰলৈ বিস্তৃত নহয় আৰু এখন [২][কেন্দ্ৰীয় অধিনিয়ম]ৰ দ্বাৰা প্ৰদত্ত এটা ক্ষমতাৰ প্ৰয়োগত তাত বিস্তাৰিত হোৱা নাই ;

(গ) পৰিনিয়ম নোহোৱা সকলো নিয়মাৱলী, বিনিয়মাৱলী আৰু অধিনিয়মিতি, বেঙ্গল বিনিয়মন [২][কেন্দ্ৰীয় অধিনিয়ম], বা এটা পৰিনিয়ম, বেঙ্গল বিনিয়মন বা [২][কেন্দ্ৰীয় আধিনিয়ম]ৰ দ্বাৰা প্ৰদত্ত এটা ক্ষমতাৰ প্ৰয়োগত প্ৰণীত নিয়মাৱলী বা বিনিয়মাৱলী ।

[৩][x x x x x]

কেতবোৰ অধিনিয়মিতি বলবৎ হোৱা বুলি গণ্য হ'ব । ৩। উক্ত তাৰিখত বা তাৰিখৰ পৰা ইয়াৰ লগত সংযোগ কৰা অনুসূচীত বিনিৰ্দ্দিষ্ট অধিনিয়মিতিক, উক্ত অনুসূচীৰ তৃতীয় স্তম্ভত উল্লিখিত বিস্তাৰিতলৈকে উক্ত সমগ্ৰ ৰাজ্যক্ষেত্ৰত বলবৎ হ'ব বুলি গণ্য কৰা হ'ব ।

কিন্তু সদৃশ অধিনিয়মিতিৰ প্ৰৱৰ্ত্তনৰ আনুষঙ্গিক ক্ষমতা আৰু কৰ্ত্তব্যসমূহ, যিমান দূৰ এনে ক্ষমতা আৰু কৰ্ত্তব্যসমূহ উক্ত অনুসূচীৰ চতুৰ্থ স্তম্ভত নিৰ্দ্দেশিত হয়, সেই স্তম্ভত উল্লিখিত প্ৰাধিকাৰীৰ দ্বাৰা কাৰ্য্যকৰী আৰু সম্পাদন কৰা হ'ব,

এই ধাৰাৰ কোনো কথাই উক্ত অনুসূচীত উল্লেখ নকৰা কোনো অধিনিয়মিতিৰ প্ৰৱৰ্ত্তকক প্ৰভাৱী কৰিব বুলি গণ্য কৰা নহব ।

---

১। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা ''প্ৰান্তীয় চৰকাৰ'' শব্দসমূহৰ স্থানত প্ৰতিষ্ঠাপিত ।

২। অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা ''কেন্দ্ৰীয় বিধান মণ্ডলৰ অধিনিয়ম'' শব্দসমূহৰ স্থানত প্ৰতিষ্ঠাপিত ।

৩। সংশোধনী অধিনিয়ম, ১৮৯১ (১৮৯১ৰ সংখ্যা ১২ৰ) দ্বাৰা ভূমি ৰাজহ আৰু প্ৰতিপালন, ন্যায়ালয়ৰ সম্বন্ধিত বিধিৰ বিষয়ে থকা পৰন্তুকবোৰ নিৰসিত কৰা হৈছে ।

## মধ্য প্ৰান্ত বিধি অধিনিয়ম, ১৮৭৫

**বিদ্যমান অধিনিয়মৰ দৃঢ়কৰণ।** ৪। ৰাজ্য ক্ষেত্ৰসমূহলৈ বিস্তাৰিত হোৱা বা অধিসূচনাৰ দ্বাৰা বিস্তাৰিত কৰিব পৰা প্ৰত্যেকখন [1][কেন্দ্ৰীয় অধিনিয়ম] যিটো ইয়াক পাৰিত কৰাৰ সময়ত উক্ত [2][ৰাজ্য চৰকাৰ]ৰ প্ৰশাসনৰ অধীনত আছিল, বৰ্তমান উক্ত [2][ৰাজ্য চৰকাৰ]ৰ প্ৰশাসনৰ অধীনত থকা সকলোবোৰ ৰাজ্য ক্ষেত্ৰলৈ বিস্তাৰিত হ'ব বা যথাস্থিতি অধিসূচনাৰ দ্বাৰা বিস্তাৰিত কৰিব পাৰিব।

**কেতবোৰ শ্ৰেণীৰ গোচৰত বিনিশ্চয়ৰ নিয়ম।** ৫। উত্তৰাধিকাৰ, তিৰোতাসকলৰ সম্পত্তি, স্ত্ৰীধন, বাগদান, বিবাহ, যৌতুক, দত্তক গ্ৰহণ, অভিভাৱক, নাবালক, জাৰজ, পৰিয়াল, সম্বন্ধ, ইচ্ছাপত্ৰ, ইচ্ছাপত্ৰ কৰি দিয়া সম্পত্তি, দান বিভাজন বা কোনো ধৰ্ম্ম সম্বন্ধীয় ৰীতি বা অনুষ্ঠান, সম্বন্ধীয় কোনো প্ৰশ্নৰ যিমান দূৰ এনে বিধিসমূহক বিধান মণ্ডলীয় অধিনিয়মিতিৰ দ্বাৰা সলনি বা সমাপ্তি ঘটোৱা বা এই অধিনিয়মৰ উপৰন্ধসমূহৰ দ্বাৰা বাধা প্ৰদান কৰাৰ ব্যতিৰেকে, য'ত পক্ষগণ মুছলিম হয়, তাত বিনিশ্চয় গ্ৰহণৰ নিয়মাৱলী মুছলিম বিধি অনুসৰি কৰা হ'ব আৰু য'ত পক্ষগণ হিন্দু হয়, তাত বিনিশ্চয়ৰ নিয়মাৱলী হিন্দু বিধি অনুসৰি হ'ব ঃ

পৰন্তু যেতিয়া কোনো শ্ৰেণী বা ব্যক্তিসকলৰ নিকায়ৰ মাজত বা পৰিয়ালৰ সদস্যসকলৰ মাজত কোনো ৰীতি প্ৰচলিত হয়, যিটো এই ধাৰাৰ অধীনত এনে ব্যক্তিসকলৰ মাজত প্ৰযোজ্য কোনো বিধিৰ অসঙ্গত হয় আৰু যিটো যদিহে এনে কোনো বিধিৰ লগত অসঙ্গত নহয়, বৈধভাৱে আৰব্ধ কৰা ৰূপে প্ৰভাৱিত হ'লহেতেঁন, ইয়াত কোনো কথা থকা সত্ত্বেও এনে ৰীতিয়ে প্ৰভাৱী কৰিব।

**অভিব্যক্তৰূপে উপৰন্ধিত নকৰা গোচৰ সমূহত নিয়ম।** ৬। ধাৰা ৫ৰ দ্বাৰা বা তৎকালিন বলবৎ থকা আন কোনো বিধিৰ দ্বাৰা উপৰন্ধিত নকৰা গোচৰসমূহত ন্যায়ালয়ে ন্যায়নিষ্ঠা, সাম্যতা আৰু সজ বিবেক অনুসৰি কাম কৰিব।

**ক্ৰোকৰ পৰা ৰেহাই দিয়া সামগ্ৰী।** ৭। চিভিল ন্যায়ালয়ৰ ডিক্ৰী নিষ্পাদনত ক্ৰোক আৰু বিক্ৰী কৰাৰ পৰা কৃষি কৰ্ম্মৰ প্ৰয়োজনাৰ্থে কৃষি কাৰ্য্য আৰু পশুৰ উপকৰণ আৰু ব্যৱসায়ৰ উপকৰণসমূহক ৰেহাই দিয়া হ'ব।

**সহায়ক নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।** ৮। [2][ৰাজ্য চৰকাৰে] সময়ে সময়ে নিম্নলিখিত বিষয়সমূহৰ সম্পৰ্কত এই অধিনিয়মৰ সুসঙ্গত নিয়ম প্ৰণয়ন কৰিব পাৰে ঃ—

(ক) পহৰা আৰু ৰক্ষকৰ ভৰণ-পোষণ, আৰু মেলা আৰু আন ডাঙৰ ৰাজহুৱা সভাৰ সংৰক্ষন আৰু স্বাস্থ্যৰ উচিত ব্যৱস্থা স্থাপন কৰা।

(খ) ইয়াত উল্লিখিত কোনো সভাত ধাৰণ কৰা বা যোগ দিয়া ব্যক্তিসকলৰ ওপৰত এই ধাৰাৰ খণ্ড (ক) ত উল্লিখিতৰ প্ৰয়োজনাৰ্থে কৰৰ আৰোপন,

(গ) চিভিল আৰু দাণ্ডিক, ন্যায়িক অভিলেখৰ অভিৰক্ষা ; [3][X X X]

[4][X X X X X X X]

---

১। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা "কেন্দ্ৰীয় বিধান মণ্ডলৰ অধিনিয়ম" শব্দসমূহৰ স্থানত প্ৰতিষ্ঠাপিত।
২। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা "প্ৰান্তীয় চৰকাৰ" শব্দসমূহৰ স্থানত প্ৰতিষ্ঠাপিত।
৩। "উক্ত অভিলেখৰ এনে সময়ে সময়ে ধ্বংস আৰু যিদৰে এইটো ৰাখিবলৈ অনাৱশ্যক গণ্য কৰে" শব্দসমূহ অভিলেখৰ ন্যাসকৰণ অধিনিয়ম, ১৮৭৯, (১৮৭৯ৰ নং ৩)ৰ দ্বাৰা নিৰসিত কৰা হৈছে।
৪। সকলো মন্ত্ৰীবৰ্গৰ পদাধিকাৰীৰ নিযুক্তি, কৰ্তব্য, শাস্তি, নিলম্বিতকৰণ আৰু বৰ্খাস্তকৰণৰ সম্বন্ধত খণ্ড (ঘ), বিধি অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা নিৰসিত কৰা হৈছে।

## মধ্য প্ৰান্ত বিধি অধিনিয়ম, ১৮৭৫

নিয়মাৱলী ভঙ্গৰ বাবে দণ্ড।

৯। [1][ৰাজ্য চৰকাৰে] এনে উলঙ্ঘনত আন পৰিণামসমূহৰ ওপৰিও, ইয়াক উলঙ্ঘা কৰাৰ কাৰণে, এই অধিনিয়মৰ অধীনত কোনো নিয়ম প্ৰণয়ন কৰি, এমাহৰ অনধিক এটা কালৰ বাবে কাৰাবাস বা দুশ টকাৰ জৰিমনাৰে বা উভয়েৰে, এজন দণ্ডাধীশৰ সমক্ষত দোষীসাব্যস্তকৰণত ক্ৰোক কৰিব পাৰে।

নিয়মাৱলীৰ প্ৰকাশন, নিয়মাৱলীৰ বলবৎ।

১০। এই অধিনিয়মৰ অধীনত প্ৰণয়ন কৰা সকলো নিয়মাৱলীক [2][X X X X] [3][চৰকাৰী ৰাজপত্ৰত] প্ৰকাশিত কৰা হ'ব আৰু তাৰ ওপৰত বিধিত বলবৎ হ'ব।

চিভিল প্ৰক্ৰিয়া সংহিতাৰ ভাগত স্থানীয় নিৰসন।

[4][১১। চিভিল প্ৰক্ৰিয়া সংহিতাৰ ধাৰা ১৮৪, ১৮৫ আৰু ১৮৯ ইয়াৰ দ্বাৰা নিৰসিত কৰা হ'ল।]

সদৃশ সংহিতাত, ধাৰাবোৰৰ প্ৰতিষ্ঠাপন।

[5][১২। সদৃশ সংহিতাৰ ধাৰা ১৮২, ১৯০ আৰু ১৯১ৰ বাবে নিম্নলিখিতসমূহ প্ৰতিষ্ঠাপিত কৰা হ'ব (অৰ্থাৎ)] ঃ—

গ্ৰহণ কৰা সাক্ষ্যৰ টোকা।

১৮২। প্ৰত্যেক সাক্ষীৰ সাক্ষ্যৰ অপৰিহাৰ্য্য বিষয়ৰ এটা টোকা তেওঁৰ নিজা ভাষাত বা ইংৰাজীত যদি তেওঁ সেই ভাষাৰ সৈতে বিশেষভাৱে পৰিচিত হয় ন্যায়াধীশৰ দ্বাৰা সেই সময়ত আৰু মৌখিক পৰীক্ষাৰ ক্ৰমত দিব আৰু এনে টোকাসমূহ গোচৰৰ অভিলেখত দাখিল কৰা হ'ব আৰু তাৰ ভাগত গঠন কৰিব।

ন্যায়াধীশে টোকা দিবলৈ তেওঁৰ অসমৰ্থতাৰ কাৰণ অভিলিখিত কৰিব।

১৯০। যদি ন্যায়াধীশৰ ওপৰত অপেক্ষিত দৰে এটা টোকা প্ৰস্তুত কৰাৰ পৰা বাধা দিয়া হয়, তেওঁ এনে কৰিবলৈ তেওঁৰ অসমৰ্থতাৰ কাৰণ অভিলিখিত কৰিব আৰু মুকলি ন্যায়ালয়ত তেওঁৰ শ্ৰুতলিপিৰে লিখিতভাৱে এনে টোকা দিবলৈ কাৰিত কৰিব আৰু সেইটোত তেওঁ স্বাক্ষৰ কৰিব আৰু এনে টোকা অভিলেখৰ ভাগ হ'ব।

বাদ নিশ্চায়নৰ পূৰ্ব্বে মৃত্যু হোৱা বা অপসাৰিত ন্যায়াধীশৰ দ্বাৰা দিয়া টোকা ব্যৱহাৰ কৰিবলৈ ক্ষমতা।

১৯১। যেতিয়া ন্যায়াধীশে সাক্ষ্যৰ এটা টোকা প্ৰস্তুত কৰে বা ওপৰত অপেক্ষিত দৰে এনে কৰাৰ এটা কাৰণত বাদটোৰ নিশ্চায়নৰ পূৰ্ব্বে মৃত্যু হয় বা ন্যায়ালয়ৰ পৰা অপসাৰিত কৰা হয়, তেওঁৰ উত্তৰাধিকাৰীয়ে, যদি তেওঁ উচিত বুলি ভাবে, এনে টোকাৰ সংব্যৱহাৰ কৰিব পাৰে, যেনিবা এইটো তেওঁ নিজেহে কৰিছিল বা কৰিবলৈ কাৰিত কৰিছিল।

---

১। বিধি অনুকূলন আদেশ ১৯৫০ৰ দ্বাৰা ''প্ৰান্তীয় চৰকাৰ'' শব্দসমূহৰ স্থানত প্ৰতিষ্ঠাপিত।

২। ''যেতিয়া সপৰিষদ গভৰ্ণৰ জেনেৰেলৰ দ্বাৰা অনুমোদন জনোৱা হয়'' শব্দ কেইটাৰ ন্যাগমন অধিনিয়ম, ১৯২০ (১৯২০ৰ সংখ্যা ৩৮)ৰ ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা লোপ কৰা হৈছে।

৩। বিধি অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা ''মধ্যপ্ৰান্ত ৰাজপত্ৰ'' শব্দসমূহৰ বাবে প্ৰতিষ্ঠাপিত।

৪। মধ্যপ্ৰান্ত বিধি অধিনিয়ম, ১৮৭৯ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

৫। মধ্যপ্ৰান্ত বিধি অধিনিয়ম, ১৮৭৯ (১৮৭৯ৰ ২)ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

## অনুসূচী

ধাৰা ৩ চাওঁক

**[1]ক - বেঙ্গল বিনিয়মন**

| বিনিয়মনৰ সংখ্যা আৰু বৰ্ষ | বিষয় | প্ৰৱৰ্ত্তনৰ বিস্তাৰ | ক্ষমতা আৰু কৰ্ত্তব্য কেনেদৰে কাৰ্য্যকৰী বা সম্পাদন কৰা হ'ব |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |
| [1][X | X | X | X] |
| ১৭৯৯ৰ | ইচ্ছা পত্ৰহীন মৃত ব্যক্তিৰ সম্পদা | [2][ধাৰা ৪,৫,৬ আৰু ৭] | [2][''সদৰ দেৱানী আদালত'' আৰু ''ৰাজহ বোৰ্ডৰ ন্যায়ালয়ৰ কৃত্যসমূহ ক্ৰমান্বয়ে ন্যায়িক আয়ুক্ত আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা সম্পাদন কৰা হ'ব। |
| [1][X | X | X | X] |
| [4][X | X | X | X] |
| [1][X | X | X | X] |
| ১৮১২ৰ X। | বিদেশী প্ৰবাসী | ইমানখিনিলৈ নিৰসিত নহয় | নিজামত আদালতৰ ক্ষমতাসমূহ ন্যায়িক [3][আয়ুক্তৰ দ্বাৰা কাৰ্যকৰী কৰা হ'ব।] |
| [1][X | X | X | X] |
| ১৮১৮ৰ III | ৰাজ্যিক কাৰাবন্দীসকল | ইমানখিনিলৈ নিৰসিত নহয় | |
| [1][X | X | X | X] |
| [1][X | X | X | X] |
| ১৮২৫ৰ X। | চাপৰি আৰু গৰাখহনীয়া | সমগ্ৰ | |
| [1][X | X | X | X] |

১। নিম্নলিখিত বেঙ্গল বিনিয়মন লগত সম্বন্ধিত দৰে এই অধিনিয়মৰ ইমানখিনি, নিম্নলিখিতবোৰৰ প্ৰত্যেকৰ বিৰুদ্ধে কৰা টোকা এই অধিনিয়মৰ দ্বাৰা নিৰসিত কৰা হৈছিল :-

বেঙ্গল বিনিয়ম ১৭৯৮ৰ ১ - সম্পত্তি অন্তৰণ অধিনিয়ম, ১৮৮২ (১৮৮২ৰ ৪)

বেঙ্গল বিনিয়ম ১৮০৪ৰ ১০ - বিশেষ বিধি নিৰসন অধিনিয়ম, ১৯২২ (১৯২২ৰ ৪)

বেঙ্গল বিনিয়ম ১৮০৬ৰ ১৭ - সম্পত্তি অন্তৰণ অধিনিয়ম, ১৮৮২ (১৮৮২ৰ ৪)

বেঙ্গল বিনিয়ম ১৮১০ৰ ২০ - ছাউনী অধিনিয়ম, ১৮৮৯ (১৮৮৯ৰ ১৮)

বেঙ্গল বিনিয়ম ১৮১৭ৰ ৫ - ভাৰতীয় গুপ্তধন নিধি অধিনিয়ম, ১৮৭৮ (১৮৭৮ৰ ৬)

বেঙ্গল বিনিয়ম ১৮২৫ৰ ২০ - দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৮৮২ (১৮৮২ৰ ১০)

বেঙ্গল বিনিয়ম ১৮১৯ৰ ৬ - ১৮৭৮ৰ অধিনিয়ম ১৭ৰ দ্বাৰা আৰু পিছত

সাধাৰণত : ১৮৯১ৰ অধিনিয়ম ১২ৰ দ্বাৰা মধ্যপ্ৰান্ত নিৰসিত কৰা হৈছিল।

২। মূল প্ৰবিষ্টিৰ বাবে মধ্যপ্ৰান্ত বিধি (সংশোধন) অধিনিয়ম, ১৯২৩ (১৯২৩ৰ সংখ্যা ৯ৰ) ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৩। যিয়েই নহওঁক, মধ্যপ্ৰান্ত ন্যায়ালয় অধিনিয়ম, ১৯১৭ (১৯১৭ৰ ১ৰ চি, পি) ধাৰা ৩১ত চাওঁক।

৪। ১৮০৬ৰ বিনিয়ম ১ সম্পৰ্কিত প্ৰবিষ্টি, এম, পি বিধি (সংশোধন) অধিনিয়ম, ১৯৫০ (১৯৫০ৰ সংখ্যা ১৫ৰ এম, পি)ৰ ধাৰা ২ৰ দ্বাৰা নিৰসিত।

৫। ১৮২৫ৰ সংখ্যা ৬ৰ বিনিয়মৰ সম্পৰ্কিত প্ৰবিষ্টি অধিনিয়ম, ১৯৫০ সংখ্যা ১৫ৰ ধাৰা ২ৰ এম, পিৰ দ্বাৰা নিৰসিত।

## মধ্য প্ৰান্ত বিধি অধিনিয়ম, ১৮৭৫

### (অনুসূচী)

| বিনিয়মনৰ সংখ্যা আৰু বৰ্ষ | বিষয় | প্ৰৱৰ্ত্তনৰ বিস্তাৰ | ক্ষমতা আৰু কৰ্ত্তব্য কেনেদৰে কাৰ্য্যকৰী বা সম্পাদন কৰা হ'ব |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |
| ১৮২৭ৰ V | ভূমি সম্পত্তিৰ প্ৰশাসন | আৰু ১৮০৩ বিনিয়ম III ৰ ধাৰা ২৬ৰ খণ্ড ৫ আৰু ৬ৰ ''শব্দ আৰু সংখ্যাসমূহৰ ব্যতিৰেকে যিমানদূৰ নিৰসিত নহয়।'' | ''ৰাজহ বোৰ্ডৰ'' ক্ষমতাসমূহ, [১][ৰাজ্য চৰকাৰ]ৰ দ্বাৰা কাৰ্য্যকৰী কৰা হ'ব। |

খ - সপৰিষদ গভৰ্ণৰ জেনেৰেলৰ অধিনিয়ম

| অধিনিয়মৰ সংখ্যা আৰু বৰ্ষ | বিষয় | প্ৰৱৰ্ত্তনৰ বিস্তাৰ |
|---|---|---|
| ১ | ২ | ৩ |
| ১৮৫১ৰ VIII | পথ আৰু দলংসমূহৰ ওপৰত পথকৰ | ধাৰা ১ আৰু অনুসূচীৰ বাহিৰে সম্পূৰ্ণ অধিনিয়ম |
| [২][X | X | X] |
| ১৮৫৭ৰ XIII | আফিং | ধাৰা ২১, ২২, ২৩, ২৫, ২৬, ২৭, ২৮, ২৯, |
| [৩][X | X | X] |
| ১৮৬৪ৰ XV | পথকৰ | সম্পূৰ্ণ অধিনিয়ম । |

১। ''মুখ্য আয়ুক্ত'' শব্দৰ বাবে অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

২। ১৮৫৩ৰ অধিনিয়ম সংখ্যা ১৮ৰ সম্পৰ্কিত প্ৰবিষ্টিটো (ছাউনীত ফটিকাৰ বিক্ৰী) সংশোধনী অধিনিয়ম, ১৮৯১, (১৮৯১ৰ সংখ্যা ১২)ৰ দ্বাৰা নিৰসন কৰা হ'ল ।

৩। নাবালক অধিনিয়ম, ১৮৫৮ (১৮৫৮ৰ ৪০)ৰ সম্পৰ্কিত প্ৰবিষ্টিটো অভিভাৱক আৰু ৰক্ষক অধিনিয়ম, ১৮৯০ (১৮৯০ৰ সংখ্যা ৮ৰ) দ্বাৰা নিৰসন কৰা হ'ল ।

ৰাষ্ট্ৰপতিয়ে মধ্য প্ৰান্ত বিধি অধিনিয়ম, ১৮৭৫ (১৮৭৫ৰ অধিনিয়ম সংখ্যা ২০)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Central Provinces Laws Act, 1875 ( Act No. 20 of 1875) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

G. NARAYANA RAJU,
Secretary to the Govt. of India.

New Delhi
Date :

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ২৪-১২-১৮